**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন দাখিলৰ পৰহিলৈ সামৰণি পৰিব। এই নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰাৰ্থীৰ মনোনয়ন দাখিলকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত আছে। জিলা প্ৰশাসনসমূহেও নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আগতীয়াকৈ সকলো দিশ চোৱাচিতা কৰিছে। ৰাজনৈতিক দলসমূহে এই নিৰ্বাচনৰ বাবে দলীয় কাম-কাজ চলাই আছে।

১২ এপ্ৰিলত এই নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৭ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। সেইদিনাই চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

০০০০০০

ৰাজ্যত অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ৪৭ টা ৰে'ল ষ্টেচনৰ উন্নয়নমূলক কাম অব্যাহত আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি কয়, যে এই প্ৰকল্পৰ অধীনত বিশেষকৈ দিব্যাংগ যাত্ৰীসকলৰ বাবে পানীৰ বুথ, নতুন পদপথ সেতু, উন্নত সঞ্চালন এলেকা আদিৰ ব্যৱস্থা কৰা হ'ব। ৰাজ্যৰ ৰে'ল আন্তঃগাঁথনিৰ উন্নয়নেৰে আধুনিক তথা সুলভ ৰে'ল অভিজ্ঞতা প্ৰদান কৰিবলৈ চৰকাৰ সাজু হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০০০

মাছৰ প্ৰাকৃতিক প্ৰজনন আৰু বংশবৃদ্ধি নিশ্চিত কৰাৰ উদ্দেশ্যে কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই জিলাখনৰ সকলো মীন ক্ষেত্ৰ আৰু প্ৰাকৃতিক জলাশয়ত তৎকালে প্ৰযোজ্য হোৱাকৈ মাছ ধৰাৰ ক্ষেত্ৰত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। সেই অনুসৰি অহা ১৫ জুলাই পৰ্যন্ত মাছৰ প্ৰজনন ঋতুৰ সময়ছোৱাত বেৰজাল, মহাজাল, ফাঁচিজাল বা অন্যান্য প্ৰকাৰৰ জাল ব্যৱহাৰ কৰি মাছ ধৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তদুপৰি এক বা দুই ছেণ্টিমিটাৰতকৈ কম পাহৰ জালেৰে সমগ্ৰ বছৰজুৰি মাছমৰাত নিষেধাজ্ঞা জাৰি কৰা হৈছে। একেদৰে এপ্ৰিলৰ পৰা ৩১ জুলাইৰ সময়ছোৱাত কেতবোৰ বিশেষ প্ৰজাতিৰ পোনা দিব পৰা মাছ আৰু আগষ্টৰ পৰা অক্টোবৰৰ সময়ছোৱাত মাছৰ পোনা বিক্ৰী তথা অন্যান্য প্ৰজাতিৰ মাছ ধৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০০০০০

ৰাজ্যখনৰ যাতায়াত ব্যৱস্থাক ৰূপান্তৰৰ নতুন গতিৰে সমৃদ্ধ কৰিবলৈ চৰকাৰে তিনিটা উন্নত পথ কৰিড'ৰ নিৰ্মাণৰ পৰিকল্পনা কৰিছে। এই কৰিড'ৰকেইটা হৈছে— শ্ৰীৰামপুৰ-গুৱাহাটী, গুৱাহাটী-শিলচৰ আৰু গুৱাহাটী-ডিব্ৰুগড়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ দুখন গুৰুত্বপূৰ্ণ চহৰ শিলচৰ আৰু ডিব্ৰুগড়ৰ পৰা ছঘণ্টাৰ ভিতৰত গুৱাহাটীলৈ যাত্ৰা কৰিব পৰাকৈ পথ আন্তঃগাঁথনি উন্নয়নৰ পৰিকল্পনা কৰা হৈছে। ইতিমধ্যে গুৱাহাটী-ডিব্ৰুগড় কৰিড'ৰৰ প্ৰাৰম্ভিক পৰ্যায়ৰ কাম আৰম্ভ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে বৰাপানী হৈ গুৱাহাটী-শিলচৰ কৰিড'ৰৰ কামো শীঘ্ৰেই আৰম্ভ হ'ব।

০০০০০০

অসম-নাগালেণ্ড সীমান্তৰ ডি ছেক্টৰৰ কলাজান অঞ্চলৰ সমীপৰ জুজুংয়ান গাঁৱত নগা লোকে এজন অসমীয়া কৃষকক বন্দী কৰি গুলীয়াই হত্যা কৰাৰ ভাবুকি দিয়াৰ পাছত অঞ্চলটোত উত্তেজনা বিয়পি পৰিছে। এটা নিৰ্ভৰযোগ্য সূত্ৰই প্ৰকাশ কৰা অনুসৰি নগালেণ্ডৰ ওখা জিলাৰ ভাণ্ডাৰী মহকুমাৰ অন্তৰ্গত জুজুংয়ান গাঁৱৰ নগা লোকে বাঁহ চুৰিৰ অভিযোগত এজন অসমীয়া যুৱকক বন্দী কৰে। পাছত লোকজনক নগা গাঁৱৰ মহিলাসকলে বন্দুকেৰে গুলীয়াই হত্যা কৰাৰ ভাবুকি দিয়ে। অৱশ্যে যুৱকজনে সেই অঞ্চলৰ পৰা পলায়ন কৰিবলৈ সমৰ্থ হয়। নাগালেণ্ড আৰু অসমৰ মাজত স্পষ্ট সীমাৰেখা নথকাৰ বাবে প্ৰায়ে সীমান্ত অঞ্চলত এনেধৰণৰ ঘটনা

ঘটি থাকে বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। উল্লেখযোগ্য যে ২০২৩ চনত উচ্চতম ন্যায়ালয়ে সীমান্তৰ বিবাদিত অঞ্চলসমূহত যথাৰ্থ ব্যৱস্থা ল'বলৈ চৰকাৰক নিৰ্দেশ দিছিল যদিও সীমান্তৰ বহু অঞ্চলত এই ব্যৱস্থা কাৰ্যকৰী হোৱা নাই।

০০০০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, বজালী জিলাৰ উদ্যোগত আজিৰপৰা অহা ১২ এপ্ৰিললৈ চাৰিদিনীয়া কাৰ্যসূচীৰে পাঠশালাত অসমী ব'হাগী মেলা, ২০২৫ অনুষ্ঠিত হৈছে। পাঠশালাৰ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত এই মেলাত জিলাখনৰ স্থানীয় মহিলা আত্মসহায়ক গোটৰ দ্বাৰা উৎপাদিত থলুৱা সামগ্ৰী, বস্ত্ৰ-শিল্প, পিঠা-লাৰু তথা বিভিন্ন সুস্বাদু খাদ্য সম্ভাৰ বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। মেলাথলীত প্ৰতিদিনে বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হৈছে বুলি আমাৰ বজালীৰ সংবাদদাতাই জানিবলৈ দিয়ে।

০০০০০০০০০

অসম আৰক্ষীৰ মাদক দ্ৰব্য বিৰোধী অভিযানৰ অধীনত বাইহাটা চাৰিআলি আৰক্ষীয়ে কালি বাইহাটা চাৰিআলি সমীপৰ ননৰা গাঁৱৰ অৰ্জুনতলৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ এজন লোকক আটক কৰে। ধৃত লোকজন মুজাফৰ ৰহমান বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে লোকজনক এই সন্দৰ্ভত জেৰা কৰি আছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱা নিশা চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে চেন্নাই ছুপাৰ কিংছক ১৮ ৰাণত পৰাস্ত কৰে। পাঞ্জাব কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২১৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২০১ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

একেদৰে ইডেন গাৰ্ডেনছত অনুষ্ঠিত কালিৰ আন এখন খেলত  লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে কলকাতা নাইট ৰাইডাৰ্ছক ৪ ৰাণত পৰাস্ত কৰে। কলকাতাই ২৩৯ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৩৪ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে লক্ষ্ণৌৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৩ উইকেটৰ বিনিময়ত ২৩৮ ৰাণ সংগ্ৰহ কৰে।

০০০০০০